# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 06-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ত কাইলৈ ১৩ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইতিমধ্যে প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছে। নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। এই পৰ্যায়ৰ বাবে মুঠ ১২ হাজাৰ ১৩০টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। এই পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। দ্বিতীয় পৰ্যায়ত মুঠ ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইয়াৰ ভিতৰত জিলা পৰিষদত ৪৯৫ গৰাকী, আঞ্চলিক পঞ্চায়তত দুহেজাৰ ৩৮৮ গৰাকী আৰু গাঁও পঞ্চায়ত সদস্য পদত ২৬ হাজাৰ ৭২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইতিমধ্যে এহেজাৰ ২৮৯ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

০০০০

সম্ভাব্য যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে কাইলৈ দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হ'ব। পেহেলগামত সন্ত্ৰাসবাদীয়ে পৰ্যটকৰ ওপৰত নৃশংস আক্ৰমণ চলোৱাৰ পাছত ভাৰত আৰু পাকিস্তানৰ মাজৰ সম্পৰ্কৰ চূড়ান্ত অৱনতি ঘটাৰ সময়তে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ৰাজ্যসমূহক জৰুৰী পৰিস্থিতিৰ বাবে সাজু থকাৰ নিৰ্দেশনা জাৰি কৰিছে। যিকোনো যুদ্ধকালীন পৰিস্থিতিত সন্মুখীন হোৱা সমস্যা সন্দৰ্ভত সৰ্বসাধৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে কাইলৈ ৰাজ্যসমূহক এই সতৰ্কতামূলক অনুশীলন চলাবলৈ গৃহ মন্ত্ৰালয়ে নিৰ্দেশ দিছে। মন্ত্ৰালয়ে ৰাজ্য চৰকাৰসমূহক সাতটা বিষয়ত জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধিৰ পৰামৰ্শ আগবঢ়াইছে। বিমান আক্ৰমণৰ সময়ত চাইৰেন ব্যৱস্থাৰ সক্ৰিয়কৰণ, সাধাৰণ লোক বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰা, হঠাৎ বিদ্যুৎ কৰ্তন বা ব্লেক আউট হ'লে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেই বিষয়ত সজাগ কৰা আপাতকালীন পৰিস্থিতিত দ্ৰুত উদ্ধাৰ আৰু গুৰুত্বপূৰ্ণ কাৰখানা বা ঘাটিত নিৰাপত্তা নিশ্চিতকৰণ আদি বিষয়ত সজাগতা সৃষ্টিৰ বাবে মন্ত্ৰালয়ে ৰাজ্য চৰকাৰসমূহক পৰামৰ্শ দিছে। উল্লেখযোগ্য যে, যোৱা ২২ এপ্ৰিলত পেহেলগামত সন্ত্ৰাসবাদীয়ে চলোৱা আক্ৰমণৰ পাছতে ভাৰতে বিভিন্ন কূটনৈতিক কৌশলেৰে পাকিস্তানৰ ওপৰত চাপৰ সৃষ্টি কৰি আহিছে। ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধ উত্তেজনা চলি থকাৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত তিনিদিন ধৰি প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু সেনাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত এখন পাছত আনখন গুৰুত্বপূৰ্ণ বৈঠকতো মিলিত হৈছে।

০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ পুৱা ৯  বাজি ৩০ মিনিটত কেন্দ্ৰই দেশৰ বিভিন্ন অংশত কাইলৈ হ'বলগীয়া মকড্ৰিল অৰ্থাৎ অসামৰিক প্ৰতিৰক্ষা অনুশীলনৰ সন্দৰ্ভত আজি নিশা ৯ বাজি ১৫ মিনিটত ইংৰাজী ভাষাত প্ৰচাৰিত বিশেষ স্পটলাইট অনুষ্ঠানৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ কেন্দ্ৰই ৰিলে কৰিব।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ সময়সূচী ঘোষণা কৰিছে। এই অনুসৰি ২৩ মে'ত কম্পাৰ্টমেণ্টেল পৰীক্ষা আৰম্ভ হ'ব আৰু ২৯ মে'ত অন্ত পৰিব। পৰিষদৰ তথ্য অনুসৰি কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ বাবে ৫৪ হাজাৰ ৯৯৪ গৰাকী শিক্ষাৰ্থীয়ে আবেদন কৰিছে আৰু ৰাজ্যৰ মুঠ ১১০টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০

চিৰাং জিলাত আজি বিটিচি প্ৰশাসনৰ সংহত শিশু বিকাশ বিভাগে জিলাখনৰ অঙ্গনবাড়ী কেন্দ্ৰসমূহ পৰিচালনাৰ বাবে ৫৪ গৰাকী অঙ্গনবাড়ী কৰ্মী আৰু ১২৪ গৰাকী সহায়িকা নিযুক্তিপত্ৰ প্ৰদান কৰে। এই অনুষ্ঠানত বিটিচিৰ সমাজ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য গৌতম দাস, চিদলিৰ বিধায়ক নিৰ্মল কুমাৰ  ব্ৰহ্ম, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায় আৰু চিৰাঙৰ জিলা আয়ুক্ত যতীন বৰা উপস্থিত থাকে।

০০০০

ৰাজ্যৰ প্ৰতিভাৱান টেবল টিনিছ খেলুৱৈ প্ৰিয়ানুজ ভট্টাচাৰ্য্যই বিহাৰত চলি থকা সপ্তম খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱত ল'ৰাৰ ছিংগলছত প্ৰথমখন খেলত সহজ জয়েৰে অভিযান আৰম্ভ কৰিছে। প্ৰিয়ানুজে আজি ১৮ বছৰ অনুৰ্ধ শাখাৰ লীগ পৰ্যায়ৰ এখন খেলত মণিপুৰৰ ছেগাল সিঙক ১১-৬, ১১-৮, ১১-৫ পোনপতীয়া গেমত পৰাস্ত কৰে। অৱশ্যে ৰাজ্যৰ ছোৱালী ভলীবল দলটোৱে প্ৰতিযোগিতাত অভিযান সামৰিছে। ছোৱালীৰ দলটো আজি গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত কেৰালাৰ হাতত ৩-০ ফলাফলত পৰাজিত হয়। দলটোৱে ইয়াৰ পূৰ্বে ৰাজস্থান আৰু গুজৰাটৰ হাততো পৰাজিত হৈছিল।

০০০০

উত্তৰ পূৱ সীমান্ত ৰেলৱেই ৰোড অভাৰব্ৰীজ নিৰ্মাণৰ জৰিয়তে সমগ্ৰ সংমণ্ডলত সুৰক্ষা আৰু যোগাযোগ বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে উত্তৰ পূৱ সীমান্ত ৰেলৱে ইয়াৰ মণ্ডলসমূহত ২০২৪-২৫ বিত্তীয় বৰ্ষত ১১ খন ৰোড অভাৰ ব্ৰীজ নিৰ্মাণৰ কাম সফলতাৰে সম্পূৰ্ণ কৰিছে। এই ৰোড অভাৰব্ৰীজসমূহে কেৱল লেভেল ক্ৰছিঙত দুৰ্ঘটনাৰ সম্ভাৱনা দূৰ কৰাই নহয়, যান যটৰ সমস্যাও হ্ৰাস কৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে-গুজৰাট টাইটানছক জয়ৰ বাবে ১৫৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।  খেলখনত মুম্বাইয়ে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৫৫ ৰাণ সংগ্ৰহ কৰে।

০০০০

সমাপ্ত